# Course 506

# বিশেষভাৱে আৱশ্যকতা বিশিষ্ট শিশুৰ শিক্ষা

ব্লক - 3

গোট - 9

# গোট - 9 ঃ বিশেষভাৱে আৰশ্যকতা বিশিষ্ট শিশুৰ শিক্ষা

## গাঁথনি

9.0 পাতনি

9.1 শিকন উদ্দেশ্য

9.2 বিশেষ আৰশ্যকতা বিশিষ্ট শিশুৰ (Children with special Needs CWSN) শৈক্ষিক প্ৰত্যাহ্বান

9.2.1 CWSNৰ শিকন বৈশিষ্ট্য

9.2.2 CWSNৰ 'প্ৰয়োজনসমূহ' আৰু শিক্ষা ব্যৱস্থা

9.3 পাঠ্যক্ৰম উপযোজন

9.3.1 পাঠ্যক্ৰম উপযোজনৰ প্ৰয়োজনীয়তা

9.3.2 CWSNৰ প্ৰয়োজনসমূহ পূৰণ কৰিবৰ বাবে পাঠ্যক্ৰমৰ উপযোজন

9.3.3 CWSNৰ মূল্যায়ন পদ্ধতিৰ উপযোজন

9.4. CWSNৰ শিকনৰ বাবে প্ৰয়োজনবোৰৰ যোগ্যানুসাৰে দিয়া সা-সুবিধা

9.4.1 বিদ্যালয়, গোট, খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্যায়ত

9.4.2 বিশেষভাৱে সমৰ্থবান শিশুৰ বাবে সমাবেশী/অন্তৰ্ভুক্তিকৰণ শিক্ষা

9.5. সমাবেশী শ্ৰেণীকোঠা

9.5.1 শ্ৰেণী কোঠা উপযোজন আৰু পৰিচালনা

9.5.2 উপযুক্ত শিকন আৰু শিকাৰ আহিলা (Teaching learning material TLM) আৰু তথ্য আৰু সংযোগ প্ৰযুক্তিৰ উপযুক্ত ব্যৱহাৰ

9.6 গৃহ ভিত্তিক শিক্ষা

9.6.1 ধাৰণা

9.6.2 গৃহ ভিত্তিক শিক্ষাৰ পদ্ধতি

9.7 সংক্ষিপ্তাৱলী

9.8 আপোনাৰ অগ্ৰগতি পৰীক্ষাৰ উত্তৰ

9.9 পঠনৰ আভাস

9.10 গোটৰ অন্তত অনুশীলন



টোকা

## 9.0 পাতনি ঃ

শিক্ষক হিচাপে আপুনি ভিন ভিন দক্ষতা বিশিষ্ট শিশুক পাঠদান কৰি আহিছে। আপুনি বিশেষ প্ৰয়োজন থকা শিশুকো পাঠদান কৰিব লগা হ'ব পাৰে। কিছু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত জন্মগতভাৱে দেখা পোৱা আংগিক অসমৰ্থতা, পলিঅ' বা দুৰ্ঘটনাবশতঃ, কোনো কোনোৰ ক্ষেত্ৰত দৃষ্টিহীনতা বা কম দৃষ্টিশক্তি, কোনোৰ শ্ৰৱণ শক্তি নোহোৱাৰ বাবে তেওঁলোকৰ কিছুমান বিশেষ প্ৰয়োজনীয়তা আহি পৰে। কিছু সংখ্যক ল'ৰা-ছোৱালীৰ অসমৰ্থনতা সততে চকুত পৰা বিধৰ নহয়। উদাহৰণ স্বৰূপে কাৰোবাৰ বৌদ্ধিক অসমৰ্থতা (আগৰ কালত মানসিক মন্থৰতা বুলি কোৱা হৈছিল) আৰু কাৰোবাৰ বিশেষ বিষয় শিকাৰ ক্ষেত্ৰত অসমৰ্থতা থাকে। আপুনি এই বিষয়ত সচেতন থাকিব লাগিব যে শিক্ষা আমাৰ দেশৰ সকলো শিশুৰে মৌলিক অধিকাৰ। তাৰোপৰি আমাৰ দেশত বিশেষভাৱে সমৰ্থবান ব্যক্তিৰ অধিকাৰসমূহ সুৰক্ষিত কৰিবলৈ, 'বিশেষভাৱে সমৰ্থৱান ব্যক্তি আইন' (Persons with disabilities Act. PD Act 1995) (সম সুযোগ, অধিকাৰ সুৰক্ষা আৰু সম্পূৰ্ণ অংশগ্ৰহণ) হিচাপে জ্ঞাত বিধিবদ্ধ আইন প্ৰণয়ন আছে। সম্প্ৰতি আইনখন সংশোধন কৰা হৈছে। তাৰোপৰি আইনখনত শিক্ষাৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। তাৰোপৰি আইনখনত শিক্ষাৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। সকলো বিশেষ ধৰণেৰে সমৰ্থবান শিশুকে, সঠিক শিক্ষা প্ৰদান কৰিবৰ বাবে সৰ্বশিক্ষা অভিযানত উল্লেখিত 'বিশেষ প্ৰয়োজনীয়তা বিশিষ্ট শিশু' হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। এই গোটত আমি এনে শিশুৰ শিকন বৈশিষ্ট্য, পাঠ্যক্ৰম উপযোজন আৰু শিকন আৰু শিকোৱাৰ আহিলা (Teaching learning material TLM), তথ্য আৰু সংযোগ প্ৰযুক্তিৰ ভূমিকা (ICT) আৰু বিশেষ প্ৰয়োজনীয়তা সম্পন্ন শিশুৰ অন্তৰ্ভুক্তি (Inclusion)ৰ বাবে তৈয়াৰ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে অৱগত হ'ম। এই সকলোবোৰ ব্যৱস্থাৰ উপৰিও এনে কিছু গুৰুতৰভাৱে অসমৰ্থ শিশু আছে যিয়ে বিদ্যালয়লৈ আহিব নোৱাৰে। যিহেতু শিক্ষা তেওঁলোকৰ অধিকাৰ, সেয়েহে শিক্ষা নিজেই তেওঁলোকৰ দুৱাৰদলিত উপস্থিত হোৱাটো বাঞ্ছনীয়। গতিকে আমি এই গোটৰ তেনে শিশুৰ বাবে গৃহভিত্তিক নিৰ্দেশনাৰ বাবে প্ৰস্তুত কৰা ব্যৱস্থাৱলীও আলোচনা কৰিম।

## 9.1 শিকনৰ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰাৰ পিছত আপুনি তলত দিয়াবোৰৰ উত্তৰ দিবলৈ বৈশিষ্ট্যৰ সামৰ্থ হ'ব —

- বিশেষ প্ৰয়োজন থকা শিশুৰ শিকন বৈশিষ্ট্যৰ ব্যাখ্যা
- শিক্ষা ব্যৱস্থা আৰু CWSNৰ লগত ইয়াৰ আৰোপণৰ বিষয়ে আলোচনা
- বিশেষ প্ৰয়োজন থকা শিশুৰ প্ৰয়োজনবোৰ পূৰণ কৰিবৰ বাবে পাঠ্যক্ৰম



টোকা

উপযোজনৰ দক্ষতা প্ৰদৰ্শন

- বিদ্যালয়, গোট, খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্যায়ত থকা সা-সুবিধাসমূহৰ বৰ্ণনা
- বিশেষ প্ৰয়োজন থকা শিশুৰ শ্ৰেণীসমূহৰ বাবে উপযুক্ত শিকন শিকাৰ আহিলা প্ৰস্তুত আৰু ইয়াৰ ব্যৱহাৰ আৰু পৰিচালনা
- গৃহ ভিত্তিক শিক্ষা/নিৰ্দেশনাৰ বুজাপৰা প্ৰদৰ্শন কৰা

## 9.2 বিশেষ প্ৰয়োজন বিশিষ্ট শিশুৰ শৈক্ষিক প্ৰত্যাহ্বান ঃ

একোটা শ্ৰেণীত35 জন শিশু থাকিব আৰু শিক্ষক হিচাপে আপুনি উপযুক্ত উদাহৰণেৰে (case) তেওঁলোকক পাঠদান সম্পন্ন কৰিব লাগিব। এয়া এই কাৰণেই যে সাধাৰণতে একোটা বয়সৰ বা শ্ৰেণীৰ শিশুসকলৰ সামৰ্থৰ স্তৰ বা সম্ভাৱনীয়তা একোটা নিৰ্দিষ্ট পৰিসৰৰ মাজত থাকে। যদিহে আপোনাৰ শ্ৰেণীত এজন বিশেষ প্ৰয়োজন থকা শিশু থাকে, তেওঁক উদ্দেশ্য কৰি কিছুমান নিৰ্দিষ্ট প্ৰয়োজন পূৰাবলগীয়া হ'ব। এনে প্ৰয়োজনবোৰ শিশুজনৰ অসমৰ্থতাৰ ওপৰত ভিত্তি কৰি ভিন ভিন শিশুৰ বাবে ভিন ভিন হ'ব। উদাহৰণ স্বৰূপে শ্ৰৱণশক্তিহীন শিশু এটিৰ বাবে, বোৰ্ড বা দৃশ্যমান আহিলাবোৰ ভালকৈ চাব পৰাকৈ পৰ্যাপ্ত পৰিমাণৰ পোহৰৰ ব্যৱস্থা থাকিব লাগিব আৰু শিক্ষকৰ বক্তব্য স্পষ্ট হোৱা আৰু শিশুটিক শিক্ষকৰ মুখৰ ফালে এনেদৰে চাবলৈ দিব লাগে যাতে তেওঁৰ ওঁঠৰ চালচলন শিশুটিয়ে বুজিব পাৰে। আনহাতে এজন দৃষ্টিহীন শিশুৰ ক্ষেত্ৰত মৌখিক নিৰ্দেশনা, আৰু শিক্ষকে ব্যৱহাৰ কৰা আহিলাসমূহ স্পৰ্শ কৰিব পৰা হ'ব লাগে যাতে তেওঁলোকে হাতেৰে চুই শিকিব পাৰে। মানসিকভাৱে মন্থৰিত শিশু এটিৰ বাবে দৃঢ় বস্তুৰ প্ৰয়োজন আৰু কোনো এটা ধাৰণা বুজাবলৈ বাৰে বাৰে পাঠ নিৰ্দেশনা দিব লগা হ'ব। শাৰীৰিক অসমৰ্থতা থকা শিশু এটিক তেওঁৰ প্ৰয়োজন সাপেক্ষে শাৰীৰিক সহায়তাৰ দৰকাৰ হ'ব। এতিয়া আপুনি কিদৰে আপোনাৰ শ্ৰেণীত এনে শিশুৰ ব্যক্তিগত প্ৰয়োজনবোৰ চিনাক্ত আৰু বিচাৰ কৰিব তাকে চোৱা হ'ব।

### 9.2.1. CWSN ৰ শিক্ষণ বৈশিষ্ট্য

সকলো শিশু একে ধৰণৰ নহয় আৰু তেওঁলোকৰ শক্তি সামৰ্থ আৰু প্ৰয়োজনো বেলেগ বেলেগ। এনে এক বিবেচনাই হৈছে অন্তৰ্ভুক্তিকৰণ/সমাবেশী শ্ৰেণী কোঠাৰ, আনৰ সহায় বিচৰাৰ দৰে আনকো সহায় কৰিবলৈ যোৱাৰ এক পদক্ষেপ। ই সমূহীয়া জীৱনৰ এক প্ৰয়োজনীয় কৌশল, যিহেতু মানৱ জাতি এতিয়াও আত্মনিৰ্ভৰশীল হোৱা নাই, পাৰস্পৰিকভাৱে এতিয়াও নিৰ্ভৰশীল। জীৱনৰ প্ৰাৰম্ভিক পৰ্যায়ত এনে বুজা পৰাই এজন সুনাগৰিক হ'বলৈ মূল্যবোধৰ উত্তৰণ ঘটায়। ই মানুহৰ ধনাত্মক পাৰস্পৰিক নিৰ্ভৰশীলতা।

হাত আৰু ভৰিৰ লগত জড়িত শাৰীৰিক অসমৰ্থতা থকা শিশু এটিয়ে শ্ৰেণীত অন্য শিশুৰ দৰেই শিকিব পাৰে। তেওঁৰ হাতৰ সমস্যা থাকিলে লিখোতে বা হাতেৰে কৰা কামত অসুবিধা পাব, যদি ভৰিত সমস্যা থাকে তেন্তে ঘুৰা ফুৰাত অসুবিধা পাব।



টোকা

এনে শিশুক চিকিৎসা আৰু উপযুক্ত সাৰঞ্জামৰ জৰিয়তে সঁহাৰি দিব লাগে যাতে তেওঁলোকৰ অসমৰ্থতা দূৰীকৰণ হয়।

শ্ৰৱণ শক্তি হানি হোৱা শিশু এটিয়ে মুখ্যত তেওঁৰ দৃষ্টি শক্তিৰে আৰু কিছু পৰিমাণে স্পৰ্শানুভূতি বা হাতৰ সংবেদনেৰে শিকাৰ প্ৰৱণতা থাকে। মনত ৰাখিব লাগিব যে শ্ৰৱণ শক্তি হানি হোৱা শিশু এজন শ্ৰেণীৰ অন্যান্য ছাত্ৰ-ছাত্ৰীৰ দৰে একেই মাথো তেওঁৰ শ্ৰৱণ শক্তিৰহে সমস্যা থাকে। তেওঁ কথা নকয় কাৰণ তেওঁ শুনা নাপায়। বক্তাজনৰ মুখত দৃষ্টি ৰাখি তেওঁৰ ওঠৰ চালচলন পৰ্যবেক্ষণ কৰি শিশুজনে কৈ থকা কথা বুজি পাব পাৰে। নিয়মীয়া শ্ৰেণীকোঠাত চক বোৰ্ড আৰু তালিকা আৰু অন্যান্য দ্ৰষ্টব্য আহিলাৰে কৰা শিকন কাৰ্যই তেওঁলোকক শিকাত সহায় কৰে। সকলো সময়তে তেওঁৰ বাবে নিৰ্ধাৰিত শ্ৰৱণযন্ত্ৰ পৰিধান কৰিবলৈ উৎসাহিত কৰিব। যদি তেওঁৰ তেনে যন্ত্ৰ নাথাকে তেন্তে প্ৰমাণিত দলৰ পৰা সেইটো ল'বলৈ যোৰ দিব লাগে আৰু আহিলাটো বিনামূল্যে যোগান ধৰিব লাগে। ই এক চৰকাৰী সুবিধা আৰু প্ৰতিটো শিশুৰে শ্ৰৱণ শক্তিৰ পৰীক্ষা কৰিছে নে নাই, আৰু উপযুক্ত সহযোগিতা প্ৰাপ্ত হৈছে নে নাই তাক নিশ্চিত কৰাটো আমাৰ কৰ্তব্য।

আইন মতে, দৃষ্টি শক্তি হানি হোৱা শিশুক দৃষ্টিহীন আৰু নিম্ন দৃষ্টিশক্তিসম্পন্ন হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। এজন সম্পূৰ্ণৰূপে দৃষ্টিহীন শিশুৱে তেওঁৰ শ্ৰৱণ শক্তি আৰু স্পৰ্শানুভূতি/হাতৰ সংবেদনৰ সহায়ত শিকে। দৃষ্টি থকা মানুহতকৈ তেওঁ অধিক পৰিমামত ঘ্ৰাণ শক্তিও ব্যৱহাৰ কৰে। উদাহৰণ স্বৰূপে যদি আপুনি শ্ৰেণী কোঠাত প্ৰৱেশ কৰে তেন্তে তেনে শিশুৱে আপুনি মাত দিয়াৰ আগেয়েই, আপুনি সদায় ব্যৱহাৰ কৰা 'পাৰফিউম'ৰ বাবে আপোনাৰ উপস্থিতি অনুমান কৰিব পাৰে। কম দৃষ্টি শক্তিৰ শিশুৱে তেওঁৰ বাবে নিৰ্ধাৰিত চশমা পিন্ধে আৰু তেওঁ সেই দৃষ্টি শক্তিৰেই পঢ়া শুনা কৰে। যদিও তেওঁক ডাঙৰ ডাঙৰ আখৰ আৰু ভিন্নৰঙী পৃষ্ঠভূমিৰ প্ৰয়োজন হ'ব। শিশুৰ প্ৰয়োজন আৰু উপযুক্তভাৱে সজা ব্যৱস্থা প্ৰণালী শ্ৰেণীত উপলব্ধ কৰি শিশুক অন্তৰ্ভুক্তি কৰিব পৰা যায়।

বিশেষ শিকন অসমৰ্থতা এনে এক অৱস্থা, যদিও PD আইনত সন্নিবিষ্ট হোৱা নাই, য'ত শিশুৱে নিম্নমানৰ শৈক্ষিক পাৰদৰ্শিতা প্ৰদৰ্শন কৰে, যদিও তেওঁলোকৰ কোনো আধ্যাত্মিক বুদ্ধিগত বা আন কোনো অসমৰ্থতা নাথাকে। SLD বিশিষ্ট শিশুৰ স্নায়ৱিক অৱস্থাৰ বাবে তথ্যৰ পদ্ধতিগত ব্যৱহাৰ কৰোঁতে অসুবিধা পায় আৰু এনে কিছু লক্ষণ দেখুৱাই যেনে পঢ়াৰ অসুবিধা (Dyslexia) লিখাৰ অসুবিধা (dysgraphia) আৰু গাণিতীয় গণনাৰ অসুবিধা (dyscalculia)। কিছুসংখ্যকে এনে সমস্যা প্ৰদৰ্শন কৰে যেনে- মনোযোগিতা, স্মৃতিশক্তি, যুক্তি বুদ্ধি আৰু নিজকে সংগঠিত কৰা। যত্ন সহকাৰে কৰা নিৰ্ধাৰণ আৰু আঁচনি কাৰ্যক্ৰমে তেওঁলোকৰ শিকন সমস্যা বহু পৰিমাণে নোহোৱা কৰিবলৈ সহায় কৰিব।

বিকাশজনিত অসমৰ্থতা যেনে বৌদ্ধিক অসমৰ্থতা (মানসিক মন্থৰতা), অটিজম (যোগাযোগ আৰু কথা বতৰা পতাৰ সমস্যা, আত্মকেন্দ্ৰিকতা) চেৰিব্ৰেল পালছি (জন্মৰ

টোকা

আগৰ বা সময়ত হোৱা মস্তিষ্কৰ আঘাতৰ বাবে হাত বা ভৰিত থকা সমস্যা) বা একাধিক অসমৰ্থতা সম্পন্ন শিশুৰ নিৰ্দিষ্ট শিকন বৈশিষ্ট্য থাকিব। বৌদ্ধিক অসমৰ্থতা থকা শিশু শিকাৰ ক্ষেত্ৰত কিছু লেহেমীয়া আৰু তেওঁলোকক যিমান শিকোৱা হয় তাৰ এক সীমিত পৰিমাণেহে গ্ৰহণ কৰিবলৈ সামৰ্থ্য হয়। জটিল ধাৰণাসমূহ বুজিবলৈ তেওঁলোকৰ কষ্ট হয়। জন্মৰ আগত বা সময়ত পোৱা মগজুৰ আঘাতৰ বাবে হাত ভৰিত হোৱা সমস্যা (স্নায়বিক সমস্যা) থকা শিশুৱে শিকিবলৈ সমৰ্থ হয় কিন্তু সেইবোৰ সমন্বয় কৰা, চালচলন কৰা আৰু কথা ক'বলৈ সহজসাধ্য নহ'ব পাৰে। যদি তেওঁৰ বুদ্ধিগত অসমৰ্থতাও আছে, তেওঁ তেতিয়া তেনে ধৰণৰ শিকন বৈশিষ্ট্য প্ৰদৰ্শন কৰিব পাৰে। আত্মকেন্দ্ৰিকতা বিশিষ্ট শিশুয়ে সামাজিক সম্পৰ্ক আৰু আনৰ লগত যোগাযোগ স্থাপনৰ ক্ষেত্ৰত অসুবিধা পায়। তেওঁলোকৰ আগ্ৰহো সীমিত হয় আৰু তেওঁলোকক সঠিক বুজাপৰাৰে শিকোৱাৰ প্ৰয়োজন হয়। তাৰে কিছু সংখ্যকৰ বুদ্ধিগত অসমৰ্থতাও থাকিব পাৰে যাৰ বাবে আৰু অধিক প্ৰত্যাহ্বান আহি যায়। একাধিক অসমৰ্থতা, নামটোতেই সোমাই আছে যে ই দুটা বা ততোধিক অসমৰ্থতাৰ সমষ্টি আৰু এনে ক্ষেত্ৰত পৃথকে পৃথকে শৈক্ষিক আঁচনি ৰূপায়ণ কৰা প্ৰয়োজন হয়।

## 9.2.2 শৈক্ষিক ব্যৱস্থা আৰু CWSN ৰ প্ৰযোজনসমূহ

এজন শিক্ষক হিচাপে আপুনি আমাৰ শৈক্ষিক ব্যৱস্থাৰ সম্পৰ্কে সচেতন। আপুনি কোনো কেন্দ্ৰীয় বা অনুৰূপ ৰাজ্যিক শিক্ষা বোৰ্ডৰ সংবন্ধন থকা বিদ্যালয়ত কাম কৰি থাকিব পাৰে। যি ব্যৱস্থাকে অনুসৰণ নকৰক কিয়নো ল'ৰা-ছোৱালীয়ে দশম শ্ৰেণীলৈকে বহু সংখ্যক বিষয় শিকিব লাগে। সাধাৰণতে ল'ৰা-ছোৱালীয়ে তিনিটা ভাষা শিকে তাৰে এটা বিদ্যালয়ৰ নিৰ্দেশনাৰ মাধ্যম হয়। আমাৰ বিদ্যালয়ত নিৰ্মাণাত্মক আৰু যোগাত্মক মূল্যাংকন আছে। শ্ৰেণীকোঠাৰ পৰীক্ষাৰ উপৰিও বছৰটোৰ প্ৰতি একচতুৰ্থাংশতে নিৰ্মাণাত্মক মূল্যাংকন আৰু বছৰটোৰ শেষত যোগাত্মক মূল্যাংকন কৰা হয়। আগৰ বছৰ বিলাকত পৰৱৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ কৰাৰ সিদ্ধান্তত এই মূল্যাংকনসমূহৰ গুৰুতৰ ভূমিকা আছিল। যিহেতু আপুনি সচেতন, আজিকালি 'আপোনাআপুনি' উত্তীৰ্ণ পদ্ধতি হৈছে, কোনো ধৰণৰ 'অৱধাৰণ' (ৰখাই থোৱা) নীতি নাই। বহু বিদ্যালয়ত, বিশেষকৈ Central Board of Secondary Education (CBSE) পৰিচালিত বিদ্যালয়সমূহত গতিবিধি আধাৰিত (Activity based) শিক্ষণ আৰু নিৰন্তৰ আৰু ব্যাপক মূল্যাংকন (Continious Comprehensive Evaluation CCE) অনুশীলন কৰা হয়।

ইয়াত দিয়া পৰিস্থিতিত, বহু সময়ত অসমৰ্থ শিশু বিশেষকৈ যিসকলৰ অতি সামান্য বুদ্ধিগত অসমৰ্থতা বা বিশেষ বিষয় শিকনৰ অসমৰ্থতা আছে তেওঁলোক কাৰো চকুত নপৰাকৈ থাকে। উদাহৰণস্বৰূপে আপুনি এনে শিশু পাব পাৰে যি অষ্টম শ্ৰেণী অৱতীৰ্ণ হৈছে কিন্তু কিছুমান বিষয়ত পাৰদৰ্শিতা দ্বিতীয় বা তৃতীয় শ্ৰেণীৰ নিচিনা। তেওঁলোকক সোনকালে বিচাৰি উলিওৱা আৰু জীৱনৰ পাতনিতে উপযুক্ত সহায় সমৰ্থন দিব লাগে যাতে তেওঁলোকৰ অসুবিধাবোৰ বাঢ়ি গৈ নাথাকে। আপুনি সন্মত হ'ব


টোকা

লাগিব যে অসমৰ্থতাৰ বাবে নিম্ন আত্মমৰ্যাদা, সমনীয়াৰ অনুমোদনহীনতা  বা কেতিয়াবা আনকি শিক্ষকেও অৱজ্ঞাৰে শিশুটিৰ মনত মচিব নোৱাৰা দাগ বহুৱাই আৰু ফলত চিৰদিনৰ বাবে তেওঁৰ ব্যক্তিত্বৰ অৱক্ষয় হয়। আপুনি শিক্ষক হিচাপে শিশুৰ সমস্যা চিনাক্ত কৰা আৰু তেওঁক এনে সহযোগিতা আগবঢ়োৱাত আপোনাৰ এক বিশেষ ভূমিকা আছে যাতে তেওঁৰ সহপাঠী সকলেও তেওঁৰ প্ৰতি বুজাপৰা আৰু সহযোগিতা প্ৰদৰ্শন কৰে।

উপযুক্ত সাহায্য আৰু সৰঞ্জাম যেনে দৃষ্টিহীন ছাত্ৰৰ বাবে ব্ৰেইলী পদ্ধতি, শ্ৰৱণ শক্তিহীনসকলৰ বাবে শ্ৰৱণযন্ত্ৰ আৰু চালচলনৰ বাবে সহায়ক যেনে খোজ কঢ়া আহিলা, বিশেষ লাখুটি, চকা লগোৱা চকী, ভৰিৰ সমস্যা দূৰীকৰণৰ বাবে ব্যৱহাৰ কৰা ধাতৱ দণ্ড আৰু চলন আৰু শাৰীৰিক অসমৰ্থতা বিশিষ্ট শিশুৰ বাবে লিখনৰ সহায়ক আহিলা (যেনে - উপযোজন কৰা পেঞ্চিল আৰু টোকা বহী) তেওঁলোকৰ প্ৰত্যাহ্বান পূৰণৰ বাবে যোগান ধৰিব লাগে।

তাৰোপৰি বিশেষ ভাৱে সমৰ্থ শিশুসকলৰ প্ৰত্যাহ্বানবোৰ পূৰণ কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত চৰকাৰে কিছুমান নিশ্চিত উপকাৰ আৰু ৰেহাইমূলক আঁচনি প্ৰবৰ্তন কৰিছে। ইয়াৰ কিছু উদাহৰণ হৈছে, এজন দৃষ্টিহীন শিশু বা শিকন অক্ষমতা থকা শিশুৱে, তেওঁ মৌখিকভাৱে  কৈ যোৱা উত্তৰসমূহ পৰীক্ষাত লিপিবদ্ধ কৰিবলৈ, তেওঁৰ বাবে নিৰ্ধাৰিত কৰা এজন ব্যক্তি ব্যৱহাৰ কৰিব পাৰে। তেওঁলোকক তিনি ঘণ্টীয়া পৰীক্ষাত অতিৰিক্ত 30 মিনিট সময় দিয়া হয়। শ্ৰৱণ শক্তিহীন শিশুৱে দ্বিতীয়/তৃতীয় ভাষা অধ্যয়ন নকৰিলেও হয় আৰু উক্ত বিষয়টোৰ ঠাইত বেলেগ এটা বিষয় দিয়া হয়।

**অগ্ৰগতি পৰীক্ষা- 1**

1. আপুনি আপোনাৰ শ্ৰেণীত পাব পৰা চাৰিবিধ অসমৰ্থতাৰ নাম দিয়ক।

.............................................................................................................

.............................................................................................................

.............................................................................................................

2. আমাৰ শিক্ষা ব্যৱস্থাত থকা প্ৰত্যাহ্বানবোৰ বৰ্ণনা কৰক যাৰ বাবে CWSNৰ সমস্যাসমূহ বাঢ়ি গৈ থাকে।

.............................................................................................................

.............................................................................................................

.............................................................................................................

## 9.3 পাঠ্যক্ৰম উপযোজন

একোটা ভাল পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বুজি বিবেচনাৰ প্ৰভাৱ পেলাব পৰাকৈ জ্ঞান, দক্ষতা আৰু মূল্যবোধ দিব পাৰে। যেতিয়া আমি বিশেষ শিক্ষাৰ কথা কওঁ, তেতিয়া এইটো চোৱাৰ সময় আহি পৰে যে শিক্ষাক এটা



টোকা

শেষ বিন্দু হিচাপে লৈ সোমাব পৰাটো নিশ্চিত কৰাৰ পিছতো ইয়াৰ গুণাগুণ উন্নত কৰাত গুৰুত্ব আৰোপ কৰিব লাগে। একেটা ভাল পাঠ্যক্ৰম গুণগত শিক্ষা লাভৰ ছাবি কাঠি। শৈক্ষিক শুধৰণি কেৱল শিক্ষক চিন্তা নহয়, এয়া নীতি নিৰ্ধাৰণ কৰোতা, সংবাদ মাধ্যম আৰু নাগৰিকসকলৰো বিষয়বস্তু, কিয়নো শিক্ষাই আমাক আমি ন তেনে নাগৰিকেই সৃষ্টি কৰি দিয়ে। পাঠ্যক্ৰমৰ সিদ্ধান্ত সমূহ, শিক্ষাৰ উদ্দেশ্য আৰু ইয়াৰ ফলাফলৰ লাভালাভৰ লগত জড়িত বিশ্বাস আৰু মূল্যবোধৰ ওপৰত পোৱা যায়। প্ৰতিটো পাঠ্যক্ৰমৰে উদ্দেশ্য হৈছে, ছাত্ৰ-ছাত্ৰীৰ সম্ভাৱনীয়তাক পুৰামাত্ৰাই আদায় কৰা আৰু তেওঁলোকক সমাজৰ উৎপাদনকাৰী আৰু অংশ গ্ৰহণকাৰী ব্যক্তি হিচাপে গঢ়ি তোলাত সহায় কৰা। যেতিয়া আমি বিশেষভাৱে সমৰ্থ শিশুক চাও, তেওঁলোকৰ সামৰ্থ্য আৰু প্ৰয়োজনবোৰ বেলেগ বেলেগ হয় আৰু এইবোৰে উদ্দেশ্য আৰু শিকন ফলাফলৰ লগত মোকাবিলা নকৰাকৈ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত বস্তুৰ উপযোগীকৰণ আৰু লেনাদেনা দাবী কৰে।

## 9.3.1. পাঠ্যক্ৰম উপযোগীকৰণৰ প্ৰয়োজনীয়তা

'পাঠ্যক্ৰম উন্নয়ন হৈছে ইচ্ছাকৃত পদ্ধতি যাৰ দ্বাৰা এজন ব্যক্তি বা দলে বিশেষ শিকাৰুৰ বাবে শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য চিনাক্ত কৰে, এখন সঠিক পাঠ্যক্ৰমৰ নক্সা প্ৰস্তুত কৰে, শিকাৰুৰ সৈতে পাঠ্যক্ৰম বাস্তৱায়িত কৰে আৰু ইয়াক ইয়াৰ প্ৰভাৱ আৰু প্ৰভাৱশীলতা মূল্যায়নৰ আধাৰত উন্নীত কৰে।'

- A dictionary of Education (1981)

(Source : http://www.library,ualberta.ca/subject/education)।

সংজ্ঞাটোত থকা মূল কথাবোৰ —

- শিকাৰুৰ দল
- পাঠ্যক্ৰম উন্নীতকাৰীসকল
- সঠিক পাঠ্যক্ৰমৰ লক্ষ্য
- বাস্তৱায়িত কৰণ/প্ৰয়োগ
- মূল্যায়ন
- পাঠ্যক্ৰম শুধৰণি

এইটোৱে পাঠ্যক্ৰম উন্নীতকৰণ এটা, প্ৰভাৱ আৰু প্ৰভাৱশীলতাৰ ওপৰত আধাৰিত, শুধৰণিৰ জৰিয়তে সালসলনি প্ৰবৃত্তিৰে চলি থকা, প্ৰক্ৰিয়া হিচাপে প্ৰতিফলিত কৰে। পাঠ্যক্ৰম উন্নয়ন, ছাত্ৰ-ছাত্ৰীক 'আটাইতকৈ ভাল'টো প্ৰদান কৰাৰ লক্ষ্যৰে সংশোধন কৰা হয়।

যিবোৰ বস্তু ছাত্ৰ-ছাত্ৰীয়ে বুজি নাপায় বা যিবোৰ বিষয়বস্তু তেওঁলোকৰ বাবে অপ্ৰাসংগিক বুলি ভাবে সেইবোৰৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ সীমিত হয়। এইটোৱে ছাত্ৰ-ছাত্ৰীক কেৱল অনুপ্ৰেৰণা বিহীন কৰাই নহয় আৰু আমনিদায়ক বা হতাশাজনক



টোকা

হোৱাৰ বাবে প্ৰত্যাহ্বানমূলক আচৰণো সৃষ্টি কৰে। যদি শিক্ষকে বিষয়সূচী ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক অৰ্থবহ কৰি তোলে তেন্তে তেওঁৰ আগ্ৰহৰ স্তৰ বাঢ়িব আৰু হতাশা কমিব। ইয়াকে কৰিবলৈ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ শুধৰণি কৰিব লাগিব। অন্তৰ্ভুক্তিকৰণ বা সমাবেশী ব্যৱস্থাত শিক্ষকে মুখামুখি হোৱা আন এক প্ৰত্যাহ্বান হৈছে পৰীক্ষাৰ বাবে শিশুক সাজু কৰোতে দৃঢ় ধাৰণা অৱলম্বন কৰা। নিয়মীয়া বিদ্যালয়ৰ লগত বিশেষভাৱে সমৰ্থবান শিশুক সফলভাৱে অন্তৰ্ভুক্তিকৰণ কৰিবলৈ পাঠ্যক্ৰম আৰু মূল্যায়ন পদ্ধতিৰ উপযোগীকৰণ অত্যাৱশ্যকীয়।

## 9.3.2. CWSN ৰ প্ৰযোজনসমূহ পূৰণ কৰিবলৈ পাঠ্যক্ৰমৰ উপযোগীকৰণ ঃ

**বিষয়সূচীৰ উপযোগীকৰণ ঃ** সাধাৰণতে উপযোগীকৰণত ব্যৱস্থাপনা আৰু পৰিবৰ্তন থাকে। ব্যৱস্থাপনাই শিক্ষণ আৰু শিকনৰ অন্তৰ্গমন আৰু উৎপাদন প্ৰক্ৰিয়াৰ পৰিবৰ্তন বুজায়। ই বিষয়সূচীৰ কাৰ্য বা মূল্যায়ন পদ্ধতি সলনি নকৰে। ইয়াৰ অন্তৰ্ভুক্ত হ'ব পাৰে, উদাহৰণ স্বৰূপে বিকল্প শিক্ষাৰ ধৰণ যেনে হাতে কামে কৰি শিকা, ভিডিঅ' টেপ, কিতাপৰ পাঠ ৰেকৰ্ডিং, ব্ৰেইলী আদি, য'ত অন্য শিশুৱে প্ৰচলিত শিক্ষা ব্যৱস্থাৰেই শিকিব পাৰে।

পৰিৱৰ্তনে বিষয়সূচীৰ সালসলনি সূচায় বা ইয়াক এক মানক বিশিষ্ট কৰি তোলে। উদাহৰণ স্বৰূপে পৰিবৰ্তনে ইয়াকে বুজাব পাৰে যে শিকাৰ বাবে কম পৰিমাণৰ বিষয়সূচী, অন্য বিষয়সূচীৰে প্ৰতিস্থাপন, সফলতা লাভৰ বাবে বেলেগ বেলেগ উদ্দেশ্য বা মূল্যায়ন পদ্ধতিৰ বিভিন্নতা। এজন শ্ৰৱণ শক্তিহীন শিশুক দ্বিতীয় ভাষা শিকাৰ পৰিবৰ্তে অন্যান্য কৰ্ম অভিজ্ঞতা বা বেলেগ পাঠ্যক্ৰম দিয়াটো একধৰণৰ পাঠ্যক্ৰমৰ পৰিবৰ্তন।

**পাঠ্যক্ৰম উপযোগীকৰণ - প্ৰত্যাহাৰ, প্ৰতিস্থাপন, সম্প্ৰসাৰণ ঃ** আমি ইতিমধ্যে আলোচনা কৰিছো যে পাঠ্যক্ৰম উপযোগীকৰণে ব্যৱস্থাপনা আৰু পৰিবৰ্তন বিচাৰে। ইয়াত বহুত ধৰণৰ উপ-পদক্ষেপ থাকে য'ত প্ৰয়োজন সাপেক্ষে বিষয়সূচীৰ পৰিবৰ্তন, প্ৰতিস্থাপন বা প্ৰত্যাহাৰ সন্নিবিষ্ট আছে। এইবোৰ বিষদভাৱে চোৱা হওক-

প্ৰত্যাহাৰে নিৰ্দিষ্ট বিষয়সূচী ক্ষেত্ৰ পাঠ্যক্ৰমৰ পৰা আঁতৰাই দিয়াটোকে বুজায়। উদাহৰণ স্বৰূপে কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত শিক্ষা বোৰ্ডসমূহে বিশেষভাৱে সমৰ্থ শিশুৰ বাবে ৰেহাইৰ ব্যৱস্থা কৰিছে। যিহেতু আমাৰ দেশৰ শিক্ষাৰ পাঠ্যক্ৰমত তিনিটা ভাষা অধ্যয়ন কৰাৰ নীতি আছে তাৰ এটা ভাষা পাঠ্যক্ৰম নিৰ্দেশনাৰ বাবে আৰু বাকী দুটা দ্বিতীয় আৰু তৃতীয় ভাষা হিচাপে, শ্ৰবণ শক্তিৰ সমস্যা থকা আৰু বিশেষ বিষয় শিকন অসমৰ্থতা থকা শিশুৰ বাবে এই তিনিওটা ভাষা শিকাটো সহজসাধ্য নহয়। মাধ্যমিক শিক্ষা বোৰ্ডে তেওঁলোকৰ ক্ষেত্ৰত এটা ভাষা আঁতৰাই দিবলৈ অনুমতি দিছে। এনে শিশুৱে তৃতীয় ভাষা শিকাটো প্ৰয়োজন নহয়।

পাঠ্যক্ৰমত আৰু এনেকুৱা পাঠো আছে যিবোৰ প্ৰত্যাহাৰ কৰা হৈছে যেনে

টোকা

দৃষ্টিহীন শিশুৰ বাবে ৰঙৰ ধাৰণা বা শ্ৰৱণ শক্তিহীন শিশুৰ বাবে সংগীত।

**প্ৰতিষ্ঠাপন ঃ** বিষয়সূচী ক্ষেত্ৰত প্ৰতিষ্ঠাপন বুলি কোৱা হয়, যেতিয়া কোনো এক বিষয়সূচী ক্ষেত্ৰৰ সেৱাত অন্য এটা দিয়া হ'য়। প্ৰত্যাহাৰৰ উদাহৰণত আমি দেখা পাইছো যে শ্ৰৱণ শক্তিহীন শিশুৰ বাবে দ্বিতীয় ভাষাটো আঁতৰাই দিয়া হয়। কিছু কিছু শিক্ষা ব'ৰ্ডত ইয়াক আঁতৰাই তাৰ ঠাইত কম্পিউটাৰ প্ৰয়োগৰ লগত জড়িত, কৰ্ম অভিজ্ঞতা আদি বিষয় এটা দিয়া হয়।

হাত ভৰি সঞ্চালনৰ সমস্যা থকা শিশুৰ বাবে শাৰীৰিক শিক্ষাৰ পৰিবৰ্তে ভৌতিক চিকিৎসা বা সংগীতৰ দৰে অন্য কোনো উপযুক্ত সহ পাঠ্যক্ৰম গতিবিধি দিয়া হয়।

**সম্প্ৰসাৰণ ঃ** সম্প্ৰসাৰণে কোনো ধাৰণা শিশুৱে বুজি পাব পৰাকৈ পাঠ্যক্ৰমৰ বিষয়সূচী ব্যাখ্যা কৰে। ধৰা হওক টকা পইচাৰ ধাৰণা থকা গণিতৰ বিষয়সূচী ক্ষেত্ৰ, এজন বুদ্ধিগতভাৱে মন্থৰিত শিশুক শিকাব লাগে। য'ত শ্ৰেণীৰ সকলো শিশুৱে তেওঁলোকৰ টোকাবহীত লিখা অংক এটা সমাধান কৰিব পাৰিলেও, বুদ্ধিগত মন্থৰতা থকা শিশুজনক ধাৰণাটো ভালকৈ বুজাবলৈ প্ৰকৃত টকাৰে দৃঢ় উদাহৰণ আৰু বজাৰ কৰা অভিজ্ঞতাৰ প্ৰয়োজন হ'ব পাৰে। ইয়াত শিক্ষকজনে, শিশুক বাস্তৱ জীৱনৰ অভিজ্ঞতা দিবলৈ বিষয়সূচী সম্প্ৰসাৰণ কৰিব আৰু তেতিয়া টকাৰ ধাৰণা থকা অংকৰ বহীখন পুনৰ নিৰীক্ষণ কৰিব।

**শিকনৰ সময়ৰ ক্ষেত্ৰত নমনীয়তা ঃ** উপযোগীকৰণৰ আন এটা দৰকাৰী দিশ হৈছে সময়। প্ৰতিটো শৈক্ষিক বৰ্ষৰ বাবে পাঠ্যক্ৰম ইমান কটকটীয়াকৈ যোজনা কৰা হয় যাতে শ্ৰেণীসমূহৰ পৰিচালনা আৰু নিৰ্মাণাত্মক আৰু যোগাত্মক মূল্যায়ন সময়তকৈ ভালেমান আগতে পৰিকল্পনা কৰা হয়, আচলতে, আনকি শৈক্ষিক বৰ্ষ আৰম্ভ হোৱা আৰু অনুসূচী অতি যত্ন সহকাৰে পালন কৰাৰ আগেয়েই সমাবেশী শ্ৰেণীকোঠা এটাত য'ত ভিন ভিন সামৰ্থ্যৰ আৰু ভিন ভিন প্ৰয়োজন থকা শিশু থাকে, তাত কাৰ্যকলাপৰ বাবে নিৰ্ধাৰিত কৰা সময়ৰ পৰিবৰ্তনৰ বাবে বিবেচনা কৰাৰ প্ৰয়োজন হয়। বুদ্ধিগত অসমৰ্থত থকা কিছু শিশুৰ বাবে অলপ অতিৰিক্ত সময়ৰ প্ৰয়োজন হয়, কিয়নো তেওঁলোকে নিজৰ গতি ভংগীৰেহে শিকে। কিছুমান শিশু, যাৰ দৃষ্টিশক্তিজনিত বা বিশেষ বিষয় শিকন অসমৰ্থতা আছে তেওঁলোকক পৰীক্ষা দিবৰ বাবে অতিৰিক্ত সময়ৰ প্ৰয়োজন হয়। আগতে উল্লেখ কৰাৰ দৰে দশম মান আৰু দ্বাদশ মানৰ পৰীক্ষা বোৰ্ডে তেনে শিশুৰ বাবে পৰীক্ষাৰ সময়ত 30 মিনিট অতিৰিক্ত সময় যোগান ধৰে।

**সামগ্ৰী উপযোগীকৰণ ঃ**

আপুনি সচেতন ব্যক্তি হিচাপে, বিভিন্ন ধৰণৰ সামগ্ৰী য'ত আছে কিতাপ, কাৰ্যপত্ৰ আৰু টোকাবহী আদি ছপাসামগ্ৰী আৰু গোলক, বিজ্ঞান পৰীক্ষাগাৰৰ আহিলা, আৰ্হি আৰু ভিডিঅ'ৰ নিচিনা অছপাকৃত সামগ্ৰী বিদ্যালয়ত ব্যৱহাৰ কৰে। অসমৰ্থতাৰ ধৰণ আৰু ইয়াৰ স্থায়ীত্বৰ ওপৰত নিৰ্ভৰ কৰি উপযোগীকৰণৰ সিদ্ধান্ত লোৱা হয়। মানক পাঠ্যক্ৰমক সূচক হিচাপে ৰাখি, শ্ৰেণীত বিশেষ অসমৰ্থতা বিশিষ্ট শিশুৰ প্ৰয়োজন সঠিকভাৱে পূৰাবলৈ, পাঠ্যক্ৰমৰ বিষয়সূচী প্ৰতিষ্ঠাপন বা সংবৃদ্ধিকৰণ কৰি ইয়াৰ


টোকা

পৰিবৰ্তন কৰিব পাৰি । প্ৰতিস্থাপনে, কোনো এটা বিষয়সূচীক্ষেত্ৰ আঁতৰাই তাৰ ঠাইত আন এটা দিয়াটো বুজায়। বৰ্ধিতকৰণে সময়ৰ সৈতে শিকা বিষয়সূচীৰ বিস্তৃতি আৰু অৱধাৰণ বৰ্ধিত কৰিবলৈ সামগ্ৰী আৰু কৌশল ব্যৱহাৰ কৰা বুজায়। এই দুয়োবিধেই অসমৰ্থতা বিশিষ্ট শিশুক শিকাৰ ক্ষেত্ৰত সৰ্বাধিকভাৱে সহায় কৰে।

## 9.3.3. CWSNৰ বাবে মূল্যায়ন পদ্ধতিৰ উপযোগীকৰণ ঃ

বিশেষভাৱে সমৰ্থ শিশুৰ বাবে উপযুক্ত হোৱাকৈ, পৰীক্ষা আৰু মূল্যায়নৰ উপযোগীকৰণ হোৱাটো প্ৰয়োজন। এই উপযোগীকৰণ পৰীক্ষাৰ গাঁথনি (লক্ষ্যভিত্তিক/বিষয়ভিত্তিক)। পৰীক্ষা পৰিচালনা সময় (যদিহে অতিৰিক্ত সময়ৰ প্ৰয়োজন হয়), উত্তৰ দিয়াৰ ধৰণ (মৌখিক/লিখিত পৰীক্ষাত লিখিবৰ বাবে সহায়কাৰী লিখকৰ সুবিধা), পৰীক্ষাৰ সময়ত বহাৰ ব্যৱস্থা (নিম্ন দৃষ্টি শক্তি সম্পন্ন শিশুৰ বাবে যথেষ্ট পোহৰ থকা ঠাই) বৰ্গীকৰণ পদ্ধতি ইত্যাদি বোৰত হ'ব পাৰে।

মূল্যায়ন শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক আৱশ্যকীয় অংশ। মূল্যায়ন পদ্ধতি বহু পৰিমাণে সলনি নহয়, কিয়নো, ছাত্ৰ-ছাত্ৰীসকলক নিৰ্ধাৰিত পাঠ্যক্ৰম মতে তেওঁলোকৰ বাবে অৰ্থবহ বিষয়সূচীৰ ওপৰত মূল্যায়ন কৰা হয়। যদিওবা দৃঢ় সাধাৰণ শৈক্ষিক পৰিবেশত ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগতভাৱে পৰীক্ষণ স্থিতি (যেনে নিৰ্ধাৰিত পৰীক্ষা)ত লাভ কৰা সফলতাৰ ভিত্তিতে তেওঁলোকক মূল্যায়ন কৰা হয়। যদিও ই এক মানক অনুশীলন, অসমৰ্থতা বিশিষ্ট শিশুৰ বাবে নিৰ্দেশনাত্মক পৰীক্ষণ স্থিতি তথা স্বাভাৱিক পৰিৱেশত উদ্দেশ্যভিত্তিক মূল্যায়ন কৰিলে আটাইতকৈ ভাল হয়। এনেদৰে গোট খোৱা তথ্যই শিক্ষকজনক শিশুৰ সৰ্বাধিক শিকনৰ বাবে প্ৰস্তুত কৰা তথ্যাত্মক সিদ্ধান্ত লওতে য'ত উপযোগীকৰণ প্ৰয়োজন হয়, সহায় কৰে। শিক্ষকে অবিৰতভাৱে শ্ৰেণীৰ বাহিৰত আৰু ভিতৰত ভিন ভিন মূল্যায়ন পদ্ধতিৰে মূল্যায়ন কৰি থাকিলে জটিলতাৰ স্তৰ নিৰ্ণয় কৰি উলিওৱাটো আটাইতকৈ ভাল হয়। আনুষ্ঠানিক পৰীক্ষাও মূল্যায়নৰ একোটা অংশ হ'ব পাৰে। মানদণ্ডৰ ওপৰত আধাৰিত মূল্যায়ন, পৰিস্থিতিগত মূল্যায়ন, পৰ্যবেক্ষণ, বাস্তৱিক/উপস্থাপনাত্মক নথি, অভিভাৱকৰ মূল্যাংকন আৰু ছাত্ৰ-ছাত্ৰীৰ স্বমূল্যাংকন এই সকলোবোৰেই জটিলতাৰ স্তৰ নিৰ্ণয়নৰ সিদ্ধান্ত লওতে অংশীদাৰ হ'ব পাৰে। শিক্ষকে উপযোগীকৰণৰ সিদ্ধান্ত লওঁতে ছাত্ৰ-ছাত্ৰীৰ শুদ্ধ বা অশুদ্ধ সঁহাৰিৰ স্থিৰতা এক গুৰুত্বপূৰ্ণ সংকেত। পাঠ্যক্ৰম ভিত্তিক মূল্যায়ন/মাপন অসমৰ্থতা বিশিষ্ট শিশুৰ নিয়োজন আৰু পাঠ্যক্ৰম উপযোগীকৰণত সিদ্ধান্ত লওতে জনপ্ৰিয়।

## 9.4. CWSNৰ শিকনৰ প্ৰয়োজনসমূহৰ যোগ্যানুসাৰে দিয়া সা সুবিধা ঃ

আগতে উল্লেখ কৰাৰ দৰে চৰকাৰে শিশুৰ শিকন প্ৰয়োজনসমূহ পূৰ কৰিবলৈ কিছু সা-সুবিধা তৈয়াৰ কৰিছে, য'ত আছে বিশেষ আৰু সমাৱেশী বিদ্যালয় প্ৰতিষ্ঠা, গৃহভিত্তিক নিৰ্দেশনা, পাঠ্যক্ৰম আৰু নিৰ্দেশনাৰ উপযোগীকৰণ, পৰীক্ষাৰ সুবিধা আৰু



টোকা

সকলোৱে ওপৰত বিশেষ প্ৰয়োজন থকা শিশুৰ শৈক্ষিক প্ৰত্যাহ্বান পূৰণ কৰিবলৈ উপযুক্ত মানৰ সম্পদ নিযুক্তি।

## 9.4.1. বিদ্যালয়ত, থূপত, খণ্ড, জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ঃ

চৰকাৰৰ একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা (2007-2012)ত CWSN ত অন্তৰ্ভুক্ত সকলো শিশুৰ শিক্ষাৰ বাবে তলত দিয়া উদ্দেশ্য সমূহ ৰখা হৈছে।

- বিদ্যালয়ৰ পৰা ওলাই যোৱা শিশুৰ 2003-04 চনৰ 52.2 শতাংশতকৈ 2011-12 চনৰ ভিতৰত 20 শতাংশলৈ হ্ৰাস কৰা।
- প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা প্ৰাপ্তিৰ ন্যূনতম মানংক আৰু নিয়মীয়া পৰীক্ষণ পৰ্যবেক্ষণেৰে গুণগত মান নিশ্চিত কৰিবলৈ শিক্ষাৰ প্ৰভাৱশীলতা উত্তৰণ কৰা।
- 7 বছৰ বয়স বা তাৰ ওপৰৰ ব্যক্তিৰ সাক্ষৰতাৰ হাৰ 85 শতাংশলৈ বৃদ্ধি কৰা।
- সাক্ষৰতাৰ ক্ষেত্ৰত লিংগ পাৰ্থক্য 10 শতাংশ বিন্দুলৈ হ্ৰাস কৰা।
- পৰিকল্পনাটোৰ শেষত, উচ্চ শিক্ষাৰ বাবে যোৱা প্ৰতিটো গোটত, বৰ্তমানৰ 10 শতাংশৰ পৰা 15 শতাংশলৈ বৃদ্ধি কৰা।

উদ্দেশ্যবোৰ সফল কৰিবলৈ বিদ্যালয়, খণ্ড, জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত উন্নয়ন কৰি ৰূপায়ণ কৰা হয়। NIOS ৰ অধীনত চলি থকা এই পাঠ্যক্ৰম হৈছে, নিয়মীয়া বিদ্যালয়ত অসমৰ্থ শিশুৰ অন্তৰ্ভূক্তিৰ বাবে শিক্ষক তৈয়াৰ কৰা। সৰ্বশিক্ষা অভিযান, ভাৰত চৰকাৰে কেন্দ্ৰীয়ভাৱে প্ৰযোজিত কৰা, সকলো ৰাজ্যই কাৰ্যকৰী কৰা আন এক মহা প্ৰকল্প, যাৰ লক্ষ্য হৈছে দেশৰ সকলো শিশুৰে শিক্ষা নিশ্চিতকৰণ। SSA এ বৃহৎ সংখ্যক বিশেষ শিক্ষা প্ৰদানকাৰী ব্যক্তিক প্ৰশিক্ষণেৰে প্ৰভাৱশালী শিক্ষক হিচাপে জড়িত কৰি বিশেষ প্ৰয়োজন থকা শিশুৰ শিক্ষাত গুৰুত্ব আৰোপ কৰিছে। ভাৰতীয় পুনৰুজ্জীৱন সংস্থা যিয়ে পুনৰুজ্জীৱনৰ লগত জড়িত বৃত্তিধাৰী ব্যক্তিৰ মানক আৰু গুণাগুণ নিয়মীয়া আৰু নিশ্চিত কৰি দেশ ব্যাপী অনুষ্ঠান বিশ্ববিদ্যালয়ৰ জৰিয়তে বিশেষ শিক্ষাৰ ক্ষেত্ৰত মানৰ সম্পদ সৃষ্টি কৰিছে। এনে সকল শিক্ষকক SSAএ ব্লক, জিলা আৰু ৰাজ্যিক পৰ্যায়ত পদ্ধতিগত পৰ্যবেক্ষণেৰে গ্ৰামাঞ্চলত CWSNসকলক বিদ্যালয়লৈ আনিবলৈ নিয়োজিত কৰিছে। কিছু সংখ্যক ৰাজ্যত সমল সামগ্ৰী যোগান ধৰিবলৈ আৰু ব্লক পৰ্যায়ত প্ৰয়োজন থকা বিদ্যালয়বোৰত বৃত্তিগত সহায়ৰ বাবে Block Resource centers (BRCs) স্থাপন কৰিছে। সমল শিক্ষকসকলে পৰ্যায়ক্ৰমে কেইবা সংখ্যক বিদ্যালয়ত উপস্থিত থাকি ভ্ৰাম্যমাণ আৰ্হিৰ প্ৰশিক্ষণৰ জৰিয়তে আৰু শিক্ষকসকলৰ লগত সমন্বয়েৰে ছাত্ৰ-ছাত্ৰীক শিকাব লাগে এনে ব্যৱস্থাই গোটেই দেশতে CWSNসকলে শিক্ষা পাব পাৰিব বুলি আশা কৰা যায়।

## 9.4.2. অসমৰ্থতা বিশিষ্ট শিশুৰ সমাৱেশী শিক্ষা ঃ

গ্ৰামাঞ্চল আৰু চহৰাঞ্চলৰ বহু বিদ্যালয়ত সামান্য অসমৰ্থতা বিশিষ্ট শিশুৱে বিদ্যালয়ত নামভৰ্তি কৰে কিন্তু তেওঁলোকৰ বিদ্যালয়ৰ পৰা বাহিৰ ওলাই যোৱা/বাহিৰ



টোকা

কৰি দিয়াৰ প্ৰৱণতা থাকে কিয়নো শিক্ষকে বুজিব পাৰে যে তেওঁলোকে অন্য শিশুৰ দৰে শিকিব নোৱাৰে। নিয়মীয়া বিদ্যালয়ত শিক্ষকসকল এনে শিশুৰ অন্তৰ্ভুক্তিৰ বাবে প্ৰশিক্ষিত নহয় আৰু সেয়েহে তেওঁলোকে শিশুটিক বিশেষ সহযোগিতা দিবৰ বাবে অভিভাৱকক ক'ব খোজে। কিছুমান ক্ষেত্ৰত শিশুসকল নিয়মীয়া বিদ্যালয়তে থাকে কিন্তু তেওঁলোক প্ৰাথমিক শ্ৰেণীসমূহৰ পৰা প্ৰত্যাখিত হয়, যিহেতু পাঠ্যক্ৰমত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক থাকে যিয়ে শিশুৰ অসমৰ্থতাবোৰ বুজিব পাৰে আৰু প্ৰত্যাখ্যিতৰ হাৰ তুলনামূলকভাৱে কম হয়। কিন্তু এনে বিদ্যালয়বোৰ মুখ্যত ব্যক্তিগত বিদ্যালয়। SSAৰ শেহতীয়া প্ৰচেষ্টাৰ ফলাফলে, আগতে উল্লেখ কৰাৰ দৰে ধনাত্মক পৰিবৰ্তন আনিব পাৰিছে আৰু অধিক CWSN ৰ বিদ্যালয়ত অন্তৰ্ভুক্তি হৈছে। গুৰুতৰ /গভীৰ অসমৰ্থতা থকা শিশুসকলক সচৰাচৰ কোমল বয়সতে আৰোগ্য জনিত আৰু /বা চিকিৎসাজনিত সহায়ৰ প্ৰয়োজন হয়। গৃহবিত্তিক নিৰ্দেশনাই সাধাৰণতে এনে শিশুৰ বাবে ব্যৱহাৰ্য।

**অগ্ৰগতি পৰীক্ষা- 2**

1. আপুনি পাঠ্যক্ৰমত কৰিব পৰা বিভিন্ন ধৰণৰ উপযোগীকৰণবোৰ বৰ্ণনা কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

2. সমাবেশী শিক্ষা গাঁথনিত, বিশেষ আৱশ্যকতা বিশিষ্ট শিশুৱে সন্মুখীন হোৱা অসুবিধাবোৰ কি কি?

.......................................................................................................

.......................................................................................................

.......................................................................................................

## 9.5. সমাবেশী শ্ৰেণীকোঠা ঃ

পদ্ধতিগতভাৱে তৈয়াৰ কৰা নিয়মীয়া শ্ৰেণীকোঠাতে এনে শিশু অন্তৰ্ভুক্ত কৰিব পাৰি। প্ৰথম অৱস্থাৰে পৰা সমাবেশন (একেলগে) শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিলে ফলাফল অধিক ভাল পাব পাৰি। প্ৰতিখন প্ৰাথমিক বিদ্যালয়তে সক্ষম সমল শিক্ষকৰ লগতে সমল কোঠা থকাটো আৰ্হি হ'ব লাগে যদি সমল কোঠা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত অসুবিধা থাকে তেন্তে আপুনি CWSN সকলক উপলব্ধ সমলৰ লগতে অন্তৰ্ভুক্ত কৰাৰ কথা ভাবিব পাৰে। সফল অন্তৰ্ভুক্তিকৰণৰ ক্ষেত্ৰত মানিবলগীয়া কেইটামান প্ৰয়োজনীয় কথা আছে। এই অন্তৰ্ভুক্তিকৰণত শিশুটিৰ প্ৰযোজনবোৰৰ সৈতে শেহতীয়া তথ্যযুক্ত সংক্ষিপ্ত জীৱন বৃত্তান্ত, শিশুৰ শিকন সামৰ্থ্যৰ প্ৰতি শ্ৰেণী শিক্ষকৰ সচেতনতা, অভিভাৱকৰ সচেতনতা আৰু শিক্ষকৰ দক্ষতা থাকিব লাগিব।

### 9.5.1 শ্ৰেণীকোঠা উপযোজন আৰু পৰিচালন

শ্ৰেণীকোঠা উপযোজন আৰু পৰিচালনাৰ বাবে মানিবলগীয়া কেইটামান কথা



টোকা

হ'ল-

- শিক্ষণৰ আঁচনি প্ৰস্তুত
- শিশুৰ প্ৰয়োজনৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰেণী শিক্ষক আৰু অভিভাৱক, সমল শিক্ষক আৰু অন্যান্যৰ লগত সমন্বয়তা।
- ব্যক্তিগত প্ৰয়োজন সাপেক্ষ শিক্ষণ।
- দলীয় শিক্ষণ।
- সামগ্ৰীৰ আৱশ্যকতা
- তথ্যভিত্তিক পদ্ধতি

শিক্ষক হিচাপে আপোনাৰ বাবে উৎকৃষ্ট সমলবোৰৰ ভিতৰত এটা হৈছে, শ্ৰেণীত ছাত্ৰৰ ৰূপত থকা বৃহৎ মানৱ সম্পদ। তেওঁলোকক সক্ৰিয়ভাৱে, সমপৰ্যায়ৰ টিউটৰ হিচাপে দায়িত্ব দিয়া আৰু সমন্বয় ভিত্তিক শিকন কৌশল ব্যৱহাৰ কৰিব পাৰে।

(Kagan 1994) কাগানে সমন্বয়ী শিকনক ধনাত্মকভাৱে মানৱ সম্পৰ্ক সবলকাৰী, সমকক্ষৰ মাজত সহযোগিতা, সক্ৰিয় শিকন, শৈক্ষিক সফলতা, সম অংশ গ্ৰহণ আৰু শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীৰ মাজত সমমৰ্যাদাৰ অৱস্থান সৃষ্টি কৰিব পৰা এক ধৰণৰ সংগঠিত সমকক্ষীয় আলোচনা বুলি ব্যাখ্যা কৰিছে। ইয়াক পাঠ্যক্ৰমৰ যিকোনো বিষয় শিকাবৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

সমকক্ষীয় শিকন এটা কৌশল যাক বিস্তৃত পৰিসৰত অসমৰ্থতা থকা আৰু সকলো বৰ্গ পৰ্যায়তে ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যৱহাৰ কৰিব পাৰি। যদিও সফল প্ৰয়োগৰ বাবে প্ৰক্ৰিয়াৰ লগত জড়িত সকলো ছাত্ৰ-ছাত্ৰীৰে প্ৰশিক্ষণৰ প্ৰয়োজন আৰু সমকক্ষী শিক্ষণৰ ভূমিকাৰ ওপৰত নিৰ্ভৰ কৰে। অসমৰ্থতা বিশিষ্ট শিশু, বিশেষকৈ যাৰ মানসিক মন্থৰতা আছে, তেওঁলোকৰ ব্যক্তিগতকৰণ শৈক্ষিক আঁচনি আৰু শিক্ষণ প্ৰয়োজন হয়। নিয়মীয়া শ্ৰেণীত শিক্ষকজন, ছাত্ৰ-ছাত্ৰীৰ ৰূপত থকা বহু সংখ্যক মানৱ সম্পদেৰে সবল হৈ থাকে। এজন স্মাৰ্ট শিক্ষকে প্ৰভাৱশীলতাৰে তেওঁলোকক অসমৰ্থ ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ সমকক্ষী টিউটৰ হিচাপে ব্যৱহাৰ কৰিব। এনেকৈ কেৱল তেওঁৰ কৰ্মৰ হেঁচা হ্ৰাস কৰাই নহয় ইয়াৰ পৰা অসমৰ্থতা থকা আৰু নথকা উভয় ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হয়। অসমৰ্থ শিশুসকলৰ প্ৰতি বাকীসকল শিশুৰ এক দায়বদ্ধতা গঢ় লয় আৰু অসমৰ্থ শিশুসকলে তেওঁলোকৰ সহপাঠীৰ সহায় বিচাৰে তেনে সহায়ৰ বাবে তেওঁলোকে সহপাঠীসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে।

## 9.5.2. উপযুক্ত শিক্ষণ শিকন সামগ্ৰী (TLM) ব্যৱহাৰ আৰু তথ্য আৰু সংযোগ প্ৰযুক্তি (ICT)

আমি যেতিয়া অসমৰ্থতা বিশিষ্ট শিশুৰ সৈতে কাম কৰো, শিক্ষণ শিকন সামগ্ৰীৰ নিৰ্বাচন আৰু ব্যৱহাৰ বিশেষ সাৱধানতা আৰু বিবেচনাৰে কৰিব লাগে, যিহেতু আমি শিক্ষক হিচাপে সাহায্য আৰু সঁজুলিৰ ব্যৱহাৰেৰে তেওঁলোকৰ অসমৰ্থতা জনিত অভাৱ



টোকা

পূৰাব লাগিব লগতে সামগ্ৰীৰ ব্যৱহাৰেৰে পাঠ্যক্ৰমৰ লেনদেন এনেদৰে কৰিব লাগে যাতে তেওঁলোকে ধাৰণা সমূহ ভালকৈ শিকিব পাৰে। শিক্ষণৰ আহিলা নিৰ্বাচন শিক্ষণ প্ৰক্ৰিয়াৰ এক দৰকাৰী অংশ। শিক্ষণ আঁচনিৰ পদ্ধতি আৰু কৌশল নিৰ্ণয় কৰাৰ পিছত, কাৰ্য এটা শিকাবলৈ ব্যৱহাৰ কৰা শিক্ষণ সামগ্ৰী হয় নিৰ্বাচন কৰা, উপযোগীকৰণ কৰা বা নিৰ্মাণ কৰাটো প্ৰয়োজন।

শিক্ষণ শিকন সামগ্ৰী নিৰ্বাচন কৰোতে বিবেচনা কৰিবলগীয়া কেইটামান কথা।

- **বয়সোচিত ঃ** উদাহৰণ স্বৰূপে 10 বছৰ বয়সৰ বুদ্ধিগত অসমৰ্থতা থকা এজন শিশুৰ মানসিক সামৰ্থ্য 5 বছৰ বয়সীয়া শিশু এজনৰ লগত খাপ খালে তেওঁক নিজৰ বয়সৰ লগত খাপ খোৱা সামগ্ৰীতকৈ 5 বছৰ বয়সৰ লগত খাপ খোৱা পুতলা আদি দিব লাগিব।
- **সৃষ্টিমূলক ব্যৱহাৰঃ** বহুমুখী হ'ব লাগে, বিভিন্ন বিষয়ত সৃষ্টিমূলকভাৱে ব্যৱহাৰ কৰিবলৈ দিব লাগে।
- **প্ৰাচুৰ্যতা ঃ** সহজ লভ্য, সস্তীয়া আৰু/বা সহজে পাব পৰা হ'ব লাগে যদিহে শিশুৱে সম্প্ৰসাৰিতভাৱে ঘৰুৱা অনুশীলনৰ বাবেও ল'ব লগা হয়।
- **উচিত স্তৰ/পৰ্যায় ঃ** সামগ্ৰীটোৱে মানসিক মন্থৰতা বিশিষ্ট শিশুৰ কাম কাজৰ পৰ্যায়ৰ লগত উপযোগী হ'ব লাগে যাতে শিকন প্ৰক্ৰিয়া তেওঁৰ বাবে অৰ্থপূৰ্ণ হয়।
- **শিক্ষণ বদলিকৰণ ঃ** সামগ্ৰীৰ ব্যৱহাৰে শিশুটিক, শিকা ধাৰণাসমূহ অন্য বিষয়সূচী বা পৰিস্থিতিত সৰলীকৃত কৰিবলৈ সন্মতি দিব লাগে।

**তথ্য আৰু সংযোগ প্ৰযুক্তি ঃ**

আপুনি সন্মত হ'ব লাগিব যে আজিৰ প্ৰজন্মৰ শিশু আগৰ প্ৰজন্মতকৈ প্ৰযুক্তিগত বুদ্ধি সামান্য হ'লেও বেছি। প্ৰযুক্তিৰ অগ্ৰগতিৰ বাবে যিকোনো ঠাইৰ যিকোনো ব্যক্তিৰ লগত যিকোনো সময়তে যোগাযোগ আজিকালি অতি সহজ। বুতামৰ স্পৰ্শতে বহু কাম কৰিব পাৰি। বিশেষ প্ৰয়োজন থকা শিশুৰ বাবে সাহায্য আৰু সঁজুলিৰ ব্যৱহাৰ আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি কৰা শিক্ষণো আজিকালি প্ৰচলিত। বহু বিদ্যালয়ৰ বিশেষ প্ৰয়োজন থকা শিশুৰ বাবে উপযোগী কৰি তোলা কম্পিউটাৰ লেবৰেটৰী আছে। দৃষ্টিহীন শিশুৰ বাবে 'মাতি থকা কিতাপ' আৰু 'মাতি থকা কম্পিউটাৰ' জটিল কাৰুকাৰ্য থকা চকাযুক্ত চকী আৰু শৈক্ষিক চফট্‌ওৱাৰ আদি আজি কালিৰ দিনত বৃদ্ধি পাইছে।

## 9.6 গৃহ ভিত্তিক শিক্ষা

আমি আগতে উল্লেখ কৰাৰ দৰে গুৰুতৰ বা একাধিক অসমৰ্থতাত ভোগা শিশুৱে বিদ্যালয়লৈ যোৱাত অসুবিধা পাব পাৰে। যিহেতু শিক্ষা আমাৰ দেশৰ প্ৰতি শিশুৰে মৌলিক অধিকাৰ, সেয়েহে সঠিক শিক্ষা এইসকল শিশুৱেও পাব লাগিব। গতিকে এনে ধৰণৰ শিশুক ঘৰতে শিক্ষা দিয়া হয়।



টোকা



## 9.6.1. ধাৰণা

যদিও শৈক্ষিক সা-সুবিধা সমূহ বৃদ্ধি কৰি থকা হৈছে তথাপি বিশেষ প্রয়োজন থকা শিশুৰ শিক্ষাই বহু প্রত্যাহ্বানৰ সন্মুখীন হৈ আছে। কিছু সংখ্যক শিশুৰ এনে কেতবোৰ জটিল অৱস্থাৰ গুৰুতৰ অসমৰ্থতা আছে যে তেওঁলোকৰ শিকনৰ বাবে বিদ্যালয়লৈ যাব নোৱাৰে। আমাৰ দেশৰ দূৰবৰ্তী গ্ৰামাঞ্চল, জনজাতীয় বা পৰ্বতৰ নামনি অঞ্চলৰ এজন বিশেষ প্রয়োজন থকা শিশুৱে বিদ্যালয়লৈ যোৱাটো সম্ভৱ নহ'বও পাৰে। কিছুমান দুৰবৰ্তী অঞ্চলত আকৌ বিশেষ প্রয়োজন থকা শিশু যাবৰ বাবে বিদ্যালয়সমূহ বহু দূৰত অৱস্থিত হ'ব পাৰে। এনেকুৱা অৱস্থাত শিক্ষা ব্যৱস্থা শিশুৰ কাষ চাপিব লাগে। পৰিয়ালৰ সদস্যসকলে শিশুটিক শিকাবৰ বাবে প্রশিক্ষণ দিয়াটো, এনে শিশুৰ ক্ষেত্রত শিক্ষাৰ নিশ্চিতিকৰণৰ এক উপায়। গতিকে, গৃহভিত্তিক শিক্ষা, বিদ্যালয়লৈ যাব নোৱাৰা শিশুৰ শিক্ষণৰ একোটা পদ্ধতি।

## 9.6.2. গৃহ ভিত্তিক শিক্ষাৰ বাবে পদ্ধতি

বিশেষ শিক্ষাকৰ্তা এজনক চলমান শিক্ষক হিচাপেও জনা যায়। সাধাৰণতে ছাত্ৰ-ছাত্ৰীৰ ঘৰ পৰিদৰ্শন কৰে আৰু শিশুটি তথা তেওঁ বসবাস কৰা পৰিৱেশ মূল্যায়ন কৰে। পৰিয়াল আৰু শিক্ষকে, শিক্ষকজনৰ পৰিদৰ্শনৰ পৰ্যায় আৰু উপযুক্ত সময়ৰ সিদ্ধান্ত লয়। এক সবিশেষ মূল্যায়নৰ পিছত উপযুক্ত লক্ষ্য আৰু উদ্দেশ্য সহকাৰে এটা শৈক্ষিক পৰিকল্পনা তৈয়াৰ কৰা হয়। শিক্ষণৰ কৌশলবোৰ, শিক্ষকৰ দ্বাৰা হাতে কামে, প্রশিক্ষক হিচাপে চিনাক্ত কৰা পৰিয়ালৰ সদস্যজনক, শিকোৱা হয়। পদ্ধতিগত নথিপত্র, শিক্ষকৰ দ্বাৰা তদাৰক কৰা হয়। কোনো কোনো শিশুৰ কথা ক'বৰ বাবে আৰু স্নায়ৱিক বিকাৰজনিত চিকিৎসাৰ প্রয়োজন হ'ব পাৰে ইয়াক চলমান শিক্ষকে সমন্বয় কৰিব। শিশুজনৰ উত্তৰণ হোৱাৰ পিছত পৰৱৰ্তী পৰ্যায়ৰ আঁচনি পৰিকল্পনা কৰা হয়।

**আপোনাৰ অগ্ৰগতিৰ পৰীক্ষা- 3**

5. শিক্ষণ শিকন সামগ্ৰী বাছনি কৰোঁতে কি কি মূল কথা মানি চলিব লাগে?

........................................................................................................

........................................................................................................

........................................................................................................

6. গৃহ ভিত্তিক শিক্ষা কাৰ বাবে উপযুক্ত?

........................................................................................................

........................................................................................................

........................................................................................................

## 9.7 সংক্ষিপ্তাৱলী ঃ

এই গোটটিত আমি বিশেষ প্রয়োজন থকা শিশুৰ, বিশেষকৈ অসমৰ্থতা



টোকা

বিশিষ্টসকলৰ শৈক্ষিক প্ৰয়োজন আৰু প্ৰত্যাহ্বানবোৰৰ বিষয়ে আলোচনা কৰা হৈছে। অসমৰ্থতা বিশিষ্ট শিশুৰ অসমৰ্থতাৰ ধৰণ আৰু পৰিমাণ/তীব্ৰতাৰ ওপৰত নিৰ্ভৰ কৰি কিছুমান বিশেষ প্ৰয়োজন আহি পৰে। দৃষ্টিৰ সমস্যা থকা শ্ৰৱণৰ সমস্যা থকা, স্নায়ৱিক অসমৰ্থতা, মানসিক মন্থৰতা বা বিশেষ বিষয় শিকণ সমস্যা থকা, সকলোকে শিক্ষকে তেওঁলোকৰ প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি একেটা সমাবেশী শ্ৰেণী কোঠাতে সম্বোধন কৰিব লাগে। চৰকাৰে ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা, খণ্ড আৰু বিদ্যালয়, সকলো পৰ্যায়তে শিক্ষাৰ ব্যৱস্থাৱলী অসমৰ্থতাযুক্ত শিশুক অন্তৰ্ভুক্ত কৰিবলৈ তৌয়াৰ কৰিছে।

আমাৰ দেশত পাঠ্যক্ৰম কেন্দ্ৰীয় আৰু ৰাজ্যিক শিক্ষা বোৰ্ডে দৃঢ় মূল্যায়ন পদ্ধতিৰে নিয়মীয়া কৰে। যদিও অৱধাৰণ নকৰা (একেটা শ্ৰেণীতে ৰাখি নোথোৱা) নীতি বাবে একোটা পৰ্যায়ত দক্ষতা নিশ্চিত নকৰাকৈয়ে শিশুক পিছৰ পৰ্যায়লৈ উত্তীৰ্ণ হোৱাত সহায় কৰে।

এইটো বিশেষ প্ৰয়োজন থকা শিশুৰ ক্ষেত্ৰত সত্য। বিশেষ প্ৰয়োজন থকা শিশুৰ প্ৰতি ন্যায়সংগত হ'বলৈ শিক্ষকে পাঠ্যক্ৰম নিৰ্দেশনাৰ পদ্ধতি উপযোগীকৰণ, সঠিক শিক্ষণ শিকন আহিলাৰ ব্যৱহাৰ আৰু বিশেষ ভাৱে অসমৰ্থ শিশুৰ মূল্যায়নৰ ক্ষেত্ৰত সচেতন হোৱা তথা চৰকাৰে তৈয়াৰ কৰি দিয়া মূল্যায়নৰ সুবিধাসমূহ ব্যৱহাৰ কৰিব লাগিব। উপযোগীকৰণে পাঠ্যক্ৰমত শিশুৰ প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি, সংযোজন বিলোপন, শুধৰণি আৰু সম্প্ৰসাৰণ আদি সামৰি লৈছে। শিক্ষকে শিশুৰ সমকক্ষী দল, প্ৰভাৱশীলতাৰে তেওঁলোকক সহায় কৰিবৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

যিসকল শিশুৱে গুৰুতৰ অসমৰ্থতা বা বহু দূৰৱৰ্তী অঞ্চলত বসবাস কৰে বাবে বিদ্যালয়ত উপস্থিত হ'ব নোৱাৰে, তেওঁলোকক গৃহ ভিত্তিক শিক্ষা প্ৰদান কৰা হয়। এই পদ্ধতিত শিক্ষকে শিশুৰ ঘৰত উপস্থিত হয় আৰু শিশুক উপযুক্ত শিক্ষা প্ৰদান কৰে।

## 9.8 আপোনাৰ অগ্ৰগতিৰ পৰীক্ষাৰ উত্তৰ

1. অন্ধতা, ক্ষীণ দৃষ্টিশক্তি, শ্ৰৱণ শক্তিৰ সমস্যা, অংগসঞ্চালনৰ অসমৰ্থতা, বুদ্ধিগত অসমৰ্থতা, অটিজমকে সামৰি বিকাশজনিত অসমৰ্থতা, জন্মৰ সময়ত বা পূৰ্বে হোৱা মস্তিষ্কৰ আঘাতৰ বাবে হাত-ভৰি সঞ্চালনৰ অসুবিধা, বিশেষ বিষয় শিকনৰ অসমৰ্থতা (যিকোনো চাৰিটা)।
2. অৱধাৰণ নকৰা নীতি, তিনি ভাষাৰ নীতি, প্ৰতিটো শ্ৰেণীত সৰহসংখ্যক শিশু (আপোনাৰ অভিজ্ঞতাৰ পৰা অধিক সংযোজন কৰক)।
3. (থকাৰ) ব্যৱস্থাপনা, পৰিবৰ্তন, প্ৰত্যাহাৰ, প্ৰতিস্থাপন সম্প্ৰসাৰণ।
4. শিশুৱে বিদ্যালয়ত নাম ভৰ্তি কৰে কিন্তু বিদ্যালয় এৰি গুচি আহিব খোজে বা যেতিয়া শিক্ষকে বুজিব পাৰে যে তেওঁলোকে অইন শিশুৰ দৰে শিকিব নোৱাৰে তেতিয়া তেওঁলোক প্ৰত্যাখিত হয়। নিয়মীয়া বিদ্যালয়ৰ শিক্ষক এনে শিশুৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত প্ৰশিক্ষিত নহয় সেয়েহে তেওঁলোকে অভিভাৱকক বিশেষ যত্ন বা সহযোগিতা ল'বৰ বাবে ক'ব বিচাৰে। শিশু নিয়মীয়া বিদ্যালয়ত থাকে কিন্তু



টোকা

যিহেতু পাঠ্যক্ৰমৰ শৈক্ষিক বিষয়সূচী বাঢ়ি যায় সেয়েহে তেওঁলোকক প্ৰাথমিক শ্ৰেণীসমূহৰ পৰা আঁতৰাই ৰখা হয়।

5. সঠিক বয়স, সক্ৰিয় অংশগ্ৰহণ, সৃষ্টিমূলক ব্যৱহাৰৰ প্ৰাচুৰ্যতা, সঠিক পৰ্যায়, প্ৰশিক্ষণ বদলিকৰণ।

6. গুৰুতৰ/একাধিক অসমৰ্থতা বিশিষ্ট আৰু যিসকল বিদ্যালয়লৈ যাব নোৱাৰে তেনে শিশুৰ বাবে।

## 9.9 অনুমোদিত গ্ৰন্থ আৰু প্ৰসংগপুথি ঃ


- Browder D.M. &SnellM.E. (1983) Functional Academics in M.E. Snell (Edn.) Instruction of Students with Severe Disabilities, New York: Mac Millan Publishing Co. P - 443.
- ***EleventhFiveYearPlan*(2007 - 2012)**

  *planning***commission.nic.in/***plans/plan***rel/***11th***f.htm**
- GOI ,Min.of Social Justice and Empowerment(1995), Persons with Disability, (Equal opportunity, protection of Rights and Full Participation) Act , New Delhi:Govt.press
- GOI, Min. of Social Justice and Empowerment(1992), Rehabilitation Council of India Act, New Delhi: Govt. Press
- Janney R, &SnellM.E. (2000) Modifying School Work, Baltomore: Paul Brookes Publishing Co. P – 18-19.
- Kagan, S. (1994). *Cooperative learning.*San Clemente: Resources forTeachers.


## 11.9 গোটৰ অন্তিম অনুশীলন ঃ

1. আপুনি বিদ্যালয়ত পাঠদান কৰা পাঠ্যপুথিৰ পৰা এটা পাঠ বাছনি কৰি লওক। তলত উল্লেখ কৰা অসমৰ্থতা বিশিষ্ট শিশুৰ বাবে পাঠটি উপযোগীকৰণ কৰক। দৃষ্টিহীন (অন্ধতা), শ্ৰৱণ শক্তিৰ সমস্যা থকা, বুদ্ধিগত অসমৰ্থতা।

2. আপোনাৰ বিদ্যালয় অন্তৰ্ভুক্ত থকা চৰকাৰী শিক্ষা বোৰ্ডে বিশেষ প্ৰয়োজন থকা শিশুৰ বাবে তৈয়াৰ কৰা সুবিধাসমূহ সংকলন কৰক।

3. বিশেষ প্ৰয়োজন থকা শিশুৰ সম্বলিতে আপোনাৰ শ্ৰেণীৰ সকলো শিশুকে জড়িত কৰিব পৰাকৈ এবিধ খেলা যুগুত কৰক।

4. প্ৰকল্প এটাৰ ধাৰণা দিয়ক আৰু সমন্বয়ী শিকন ব্যৱহাৰ কৰি প্ৰকল্পটো আগুৱাই নিয়ক।

*****